# কাব্যৰ অলংকাৰ

## প্ৰাথমিক

**অলংকাৰ শব্দৰ আঁতিগুৰি ঃ** বিখ্যাত আলংকাৰিক ৰাজাণক ৰুয্যকে তেওঁৰ *অলংকাৰ-সৰ্বস্ব* নামৰ গ্ৰন্থৰ মংগলাচৰণ শ্লোকত বাগ্‌দেৱতাক ত্ৰিবিধবিগ্ৰহা দেৱী বুলি স্তুতি কৰিছে।[১] এই স্তুতিৰে অলংকাৰ বৰ্ণন আৰম্ভ কৰাৰ এটা বিশেষ তাৎপৰ্য আছে। সত্ত্ব, ৰজ, তম এই তিনিগুণৰ লীলাতে অনন্ত প্ৰকাৰ সৃষ্টি সম্ভৱ হোৱাৰ নিচিনাকৈ বাক্-স্বৰূপা দেৱীৰ অভিধা, লক্ষণা আৰু ব্যঞ্জনা এই ত্ৰিবিধৰূপ গ্ৰহণৰ ফলতে বাঙ্ময়-সৃষ্টিৰ সম্ভৱ হৈ উঠিছে। তিনিবিধ বাক্-শক্তিৰ বলত সৃষ্টি হোৱা বাগ্-বিকল্প অৰ্থাৎ কথা কোৱাৰ প্ৰকাৰান্তৰৰ সীমা সংখ্যা নাই।[২] এই অনন্ত বাগ্‌বিকল্পৰণৰাই অলংকাৰৰ উৎপত্তি আৰু বিকাশ ত্ৰিবিধ বিগ্ৰহা বাগ্-দেৱীৰ স্তুতিৰে অলংকাৰ বৰ্ণনৰ পাতনি মেলি ৰাজাণকে এই তত্ত্বৰে সূচনা দিছে।

দুটা এটা সাধাৰণ উদাহৰণ ল'লেই বাগ্-বিকল্পৰ অনন্ততা সম্বন্ধে ধাৰণা হ'ব। মৃত্যুৰূপ সকলোৰে জনা আৰু দেখা এই সাধাৰণ ঘটনা এটা বুজাবলৈ ঢুকাল, মৰিল, চলিল, পৰলোকপ্ৰাপ্ত হ'ল, পঞ্চত্বপ্ৰাপ্ত হ'ল, নশ্বৰ ধামলৈ গতি কৰিলে, স্বৰ্গী হ'ল, দেহাৱসান ঘটিল, পৰমায়ু শেষ হ'ল, মানৱলীলা সম্বৰণ কৰিলে, নৰনাট সামৰিলে; সন্ন্যাসীৰ বেলিকা সমাধিস্থ হ'ল, দেহ ৰক্ষা কৰিলে, গুহা-প্ৰৱেশ কৰিলে আদি কিমান প্ৰকাৰ বাগ্‌ভংগীৰ যে আমি আশ্ৰয় লওঁ তাৰ অন্ত নাই। 'ভয় লাগিল' বুলি নকৈ পেটত হাত ভৰি লুকাল, চুলিৰ আগে জীৱ গ'ল, অন্তৰীক্ষ প্ৰাণ হ'ল, ভগৰন্ত পলাল, ক'ত পলাওঁ ইত্যাদি বিভিন্ন প্ৰকাৰে সকলোৰে মাজে সময়ে অনুভৱ কৰা ৰবকৈ ভয় লগা ভাবটোকে বুজাবলৈ চেষ্টা কৰোঁ। পিছে মৰা বা ভয় লগা এই দুটা সকলোৱে জনা, অনুভৱ কৰা সাধাৰণ ভাব, তাকে কবলৈ মানুহে কথাত ইমান দৰে পাক দি কব লাগে কেলৈ? ইমানখিনি ৰহণ সানি কবৰে বা প্ৰয়োজন কি? এই প্ৰশ্নৰ উত্তৰতে অলংকাৰৰ জন্মবৃত্তান্ত নিহিত আছে।

মানুহৰ মনৰ ভাব প্ৰকাশৰ নিচিনা এটা জটিল কাম নাই। ভাবৰ সকলো

---

১. 'নমস্কৃত্য পৰাং ৱাচং দেৱীং ত্ৰিবিধবিগ্ৰহাম।
নিজালংকাৰ সূত্ৰাণাং বৃত্ত্যা তাৎপৰ্যমুচ্যতে।।' — *অলংকাৰ সৰ্বস্ব*

২. 'অনন্তা হি বাগ-বিকল্পাঃ তৎপ্ৰকাৰা এৱ চালংকাৰাঃ।' — *ধ্বন্যালোক*

উঠা-নমা, তীব্ৰতা আৰু দৃঢ়তা আধিক্য বা ন্যূনতা প্ৰকাশ কৰিবৰ অৰ্থে পোনপটীয়া ভাষা এটা অপূৰ্ণ মাধ্যম। ভাষাৰ এই অক্ষমতা দূৰ কৰিবৰ কাৰণে মানুহে পোনপটীয়া ভাষাত পাক লগাই বা ৰহণ সানি তাক সবল আৰু সক্ষম কৰিবলৈ চেষ্টা কৰে। তাকে কৰোঁতে কৰোঁতে শব্দই নতুন শক্তি আহৰণ কৰে। যেতিয়া আদৰৰ পিতৃ-মাতৃৰ মৃত্যু ঘটে তেতিয়া কেৱল 'মৰিল' বুলি কলে সুখ নাহে, অন্তৰৰ ভক্তি বা আদৰখিনি প্ৰকাশ নহয়, গতিকে স্বৰ্গী হ'ল বা দেহান্ত হ'ল বুলি সদ্গতি হোৱা বা এই পঞ্চভূতৰ দেহ নোহোৱা হৈ আত্মা বৰ্তমান থকাৰ ইংগিত এটা দি, মনৰ ভক্তিখিনি সানি 'মৰিল' সাধাৰণ ভাবটোকে ৰহণ দি ব্যক্ত কৰা হয়। অকল মৰিল বুলি কলে পিতৃভক্ত পুত্ৰৰ মনলৈ সুখ নাহে। সুখ অহাকৈ কবলৈ গলেই ৰহণ লগাব লগা হয় বা আওপকীয়া ৰীতিৰে কব লগা হয়। 'বৰ ভয় লাগিল'— অকল ইমানখিনিকে ক'লে জানোচা কিমান ভয় তাৰ তীব্ৰতাখিনি মানুহে নুবুজেই, সেই শংকাতে 'চুলিৰ আগে জীৱ গ'ল' এনে এটা পাক দি কথাটো কোৱাৰ পিছতহে কৈ সুখ আহিল। এনেকৈ কৈ সুখ অহাকৈ মনৰ ভাব প্ৰকট কৰাৰ প্ৰয়াসৰপৰাই অলংকাৰৰ উৎপত্তি। 'অলম' শব্দৰ প্ৰকৃত অৰ্থ পৰ্যাপ্তি অৰ্থাৎ 'হ'ল আৰু নালাগে'।[৩] যি ধৰণে কথা ক'লে কৈ সুখ লাগে, 'হ'ল আৰু নালাগে'— এই ভাব মনলৈ আহে, সেই ধৰণৰ কোৱাৰ ভংগীয়েই অলংকাৰ। অহং অহং ভাবটোক যেনেকৈ অহংকাৰ বোলা হ'ল, অলং অলং ভাবটোক সেইদৰে অলংকাৰ বুলি কোৱা হয়।

সকলো মানুহৰে নিজৰ মনৰ ভাব পূৰাকৈ প্ৰকাশ কৰাৰ কাৰণে এটা আগ্ৰহ সদায় থাকে, আনকি ভাব গোপন কৰিবলৈকো ভাষাৰ কৌশল বা বক্ৰতাৰ আশ্ৰয় লব লগা হয়। কেতিয়াবা ভাব-গোপন কৰিবলৈকো ভাষাৰ কৌশল বা বক্ৰতাৰ আশ্ৰয় লব লগা হয়। কেতিয়াবা ভাব-গোপন অধিকতৰ প্ৰকাশৰ কাৰণ হৈ পৰে। ভাষাৰ সহায়ত ভাবে লুকাভাকু খেলিব পাৰে। কিন্তু এই সকলোৰে আঁৰত আছে মানুহৰ উক্তিৰ 'অলম্-দশা' লাভ কৰাৰ প্ৰচেষ্টা। কালিদাসৰ শকুন্তলা নাটকত দুষ্যন্তই শকুন্তলাক দেখাৰ পিছত কৈছিল "অয়ে লব্ধং মে নেত্ৰ-নিৰ্বাণম্"— মোৰ চকুৱে নিৰ্বাণ পালে— দেখিবলগীয়া সকলো দেখাৰ পৰিসমাপ্তি ঘটিল। সেইদৰে কবিসকলে 'বাঙ্-নিৰ্বাণৰ' কাৰণেও আকুল সাধনা কৰে। কব খোজা কথাৰ 'অলম'

৩. অলম্ মানে সমৰ্থও। পৰ্যাপ্ত হলেই সমৰ্থ হয় গতিকে সমৰ্থ অৰ্থটো পৰ্যাপ্ত অৰ্থৰে বিস্তাৰ মাত্ৰ।
— *Semantic Variation*

দশাই বাঙ্-নির্বাণ। যি আযাৰ কলে বা যেনেকৈ কলে বা কৰালে নাথাকে সকলো কোৱা শেষ হৈ যায় সেয়ে বাঙ-নির্বাণ। ৰবীন্দ্ৰনাথ ঠাকুৰে 'শেষ কথা' নামৰ কবিতাত সকলো যুগৰ সকলো দেশৰ প্ৰতিভাশালী কবিৰে প্ৰাণৰ আকুলতা এনেদৰে ব্যক্ত কৰিছে ঃ

"মনে হচ্ছে কী একটি শেষ কথা আছে।
সে কথা হইলে বলা শেষ বলা হয়।।
কল্পনা কাঁদিয়া ফিরে তারি পাছে পাছে
তারি তরে চেয়ে আছে সমস্ত হৃদয়।।" — কড়ি ও কোমল

এই শেষ কথা কোৱাই কাব্যৰ আপাতবোধত বাঙ-নির্বাণ প্ৰাপ্তি। কবিৰ বাঙ-নির্বাণ পাঠকৰ মনত সৌন্দর্যৰূপে প্ৰতিভাত হয়। কবিৰ অলম্ বোধৰপৰা যি সৌন্দর্যৰ উদ্ভৱ হয় সেয়ে অলংকাৰ।

**অলংকাৰ লক্ষণ ঃ** কবিৰ উক্তি বৈচিত্ৰ্যই উক্তি পৰ্যাপ্তি (অলম্) বা ইষ্ট, আৰু এই উক্তি পৰ্যাপ্তিৰ সৌন্দর্যই বাক্যৰ অলংকাৰ। অলংকাৰ শাস্ত্ৰৰ প্ৰথমাচাৰ্য ভামহে এই কথাৰ স্পষ্টভাৱে সংকেত দিছে— 'বক্ৰাভিধেয়া শব্দোক্তিৰিষ্টা বাচামলংকৃতিঃ।' কবিৰ অভীষ্ট সিদ্ধিৰ জোখাই বক্ৰতা-পূৰ্ণ উক্তিবৈচিত্ৰ্যই বাক্যৰ সৌন্দর্য বা অলংকাৰ। ইয়াত ইষ্টা শব্দটোৱে অলম্ অৰ্থাৎ পৰ্যাপ্তি, বক্ৰাভিধেয় শব্দোক্তিয়ে ভংগীৰ বিচিত্ৰতা বা চমৎকাৰিতা আৰু অলংকৃতি শব্দই সৌন্দর্য অৰ্থৰ সূচনা দিছে। আটাইকেটাই মিলি অলংকাৰৰ পূৰ্ণ লক্ষণ উপস্থাপন কৰিছে। বাক্য-সৌন্দর্যই যে অলংকাৰ এই কথাটো আৰু স্পষ্টভাৱে সূচিত কৰিছে পৰৱৰ্তী সূক্ষ্মমতি আচাৰ্য ভট্ট বামনে ঃ

"কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ। সৌন্দর্যমলঙ্কাৰঃ।"

— কাব্য উপাদেয় হয় অলংকাৰৰপৰা আৰু সৌন্দর্যই অলংকাৰ।

ভাব অৰ্থত অলংকাৰ শব্দক প্ৰধানভাৱে গ্ৰহণ কৰি গৌণভাৱে কৰণ অৰ্থত অলংকাৰ শব্দৰ ব্যুৎপত্তিকো বামনে অস্বীকাৰ কৰা নাই— 'কৰণব্যুৎপত্ত্যা পুনৰলঙ্কৰাশব্দোহয়মুপমাদিষু বৰ্ততে'। সৌন্দর্যকৰণ অৰ্থত (অলংক্ৰিয়তে অনেন) ভূষণ উপমা ৰূপক আদিকো অলংকাৰ বোলা হয়। প্ৰকৃতপক্ষে দ্বিতীয় কৰণ অৰ্থটো প্ৰথম আৰু প্ৰধান ভাব অৰ্থৰে বিস্তাৰ মাথোন। সৌন্দর্য আৰু সৌন্দর্যৰ কাৰণ এই দুটা পৃথকভাৱে উপলব্ধ নহয়। সমালোচকে বুদ্ধি দক্ষতাৰে ফঁহিয়াই দুয়োটাকে বেলেগ বুলি প্ৰতিপাদন কৰি দেখুৱাব পাৰে, কিন্তু ৰসিকজনৰ

যুৱতীৰ গালত কল্পনা কৰি গালৰ সৌন্দৰ্য দুগুণে উপলব্ধি কৰিলোঁ। ইয়াত উপমা অলংকাৰে কৰ খোজা অৰ্থক প্ৰভাৱশালী কৰি আমাৰ আগত দাঙি ধৰিছে। বাক্যত অন্তৰ স্পৰ্শ কৰিব পৰা, অনুভূতিক তীব্ৰতৰ কৰিব পৰা, বৰ্ণনীয় বিষয়ক দৃঢ়ভাৱে প্ৰতিষ্ঠিত কৰিব পৰা গুণৰ আধান কৰাটো, চমুকৈ কবলৈ গলে বাক্যক প্ৰভাৱশালী কৰাটো, অলংকাৰৰ প্ৰথম প্ৰয়োজন। অলংকাৰে সামান্য কথাক কিমান প্ৰভাৱশালী কৰিব পাৰে ছেক্সপীয়েৰৰ নাটক '*জুলিয়াচ চিজাৰ*'ত থকা এণ্টনিৰ "But Brutus is an honorable man" এই ব্যাজস্তুতিমূলক উক্তি আযাৰৰ কথা ভাবিলেই বুজিব পাৰি।

অলংকাৰে বাক্যক আৰু এক প্ৰকাৰে প্ৰভাৱশালী কৰিব পাৰে। ইয়াৰ সহায়ত এপদ দুপদ কথাতে এখন মহাভাৰত ভৰাই থব পাৰি আৰু তেনেকৈ থোৱাৰপৰাই মনৰ আকুলতা, অনুভূতিৰ তীব্ৰতা বা বৰ্ণনীয় বিষয়ৰ গুণ-ক্ৰিয়া আদিৰ বিশেষত্ব যেনেকৈ প্ৰকাশ পায় উকা কথাৰে এবকলা মেলিলেও তাৰ আধাও নাপায়।

"—আলো মাই, কি কহব দুখ
পৰাণ নিগৰে নাদেখিয়া চান্দমুখ"

এই বৰগীতৰ 'পৰাণ নিগৰে' উৎপ্ৰেক্ষালংকাৰ-যুক্ত এই পদ দুটাই গোপীহৃদয়ৰ সমস্ত বিৰহ-বেদনা যেনেভাৱে উবুৰিয়াই দেখুৱাব পাৰিছে হিয়া ঢাকুৰিয়াই কান্দিলেও সিমানখিনি সম্ভৱ নহ'লহেঁতেন। প্ৰাণ অদৃশ্য বস্তু। জুলীয়া পদাৰ্থহে নিগৰি ওলাব পাৰে। প্ৰাণ সেইদৰে বাগৰি ধীৰে ধীৰে বৈ ওলাই আহিব নোৱাৰে। ইয়াত 'পৰাণ নিগৰে' বোলোঁতে প্ৰাণ যেন দ্ৰবীভূত হৈ গৈছে আৰু ধীৰে ধীৰে বাহিৰলৈ বৈ ওলাইছে এনে এটা অৰ্থৰ সংকেত দি মৃত্যুতুল্য বিৰহ যন্ত্ৰণাৰ তীব্ৰতাৰ ব্যঞ্জনা দিছে। পৰাণ নিগৰে নুবুলি উকা কথাত প্ৰাণ যায় বুলি কোৱা হ'লে গোপীহৃদয়ৰ সমস্ত ব্যাকুলতাখিনি আমি ইমান তীব্ৰতৰভাৱে অনুভৱ কৰিব নোৱাৰিলোহেঁতেন।

'অয়ে লব্ধং মে নেত্ৰনিৰ্বাণম্' দুষ্যন্তৰ এই এষাৰ বাক্যতে শকুন্তলাৰ আলোকসম্ভৱ ৰূপৰ বৰ্ণনা যিমান পূৰ্ণতয়া হৈ গ'ল চুলিৰ পৰা নখলৈকে সুকীয়া সুকীয়াকৈ বৰ্ণাই যোৱা হলেও তাৰ ওচৰ চাপিব পৰা বৰ্ণনা নহ'লহেঁতেন। 'মোৰ চকু দুটাই আজি মুক্তি পালে' ইয়াৰ পিছত আৰু কোনো সৌন্দৰ্য্যই দেখিবলগীয়া হৈ নাথাকিল, চকুৰ দৃষ্টি-বৃত্তিয়ে পৰিসমাপ্তি পালে, কৃতকৃতাৰ্থতা লাভ কৰিলে। এইদৰে অলংকাৰযুক্তকৈ কোৱাত শকুন্তলা-বৰ্ণন যিমান প্ৰভাৱোৎপাদক হৈছে দীঘলীয়া বৰ্ণনাৰ সৈতেও সি সম্ভৱ নহ'লহেঁতেন। ইয়াতেই অলংকাৰৰ

প্ৰভাৱশালিতাৰ কথা হৃদয়ংগম হয়।

অলংকাৰৰ দ্বিতীয় প্ৰয়োজন স্পষ্টীকৰণ। বিষয়গত গুণ, ৰূপ, ক্ৰিয়া আদি আৰু বিষয়ীগত ভাবক স্পষ্ট কৰিব লাগিলেও বহুত ক্ষেত্ৰত অলংকাৰৰ আশ্ৰয় নলৈ নোৱাৰি। 'বক্ষস্থলে মুকুতাৰ হাৰ'— শ্ৰীকৃষ্ণই বুকুত মুকুতাৰ হাৰ পিন্ধিছে— কেৱল এইখিনি মাত্ৰ কৈ থলে মুকুতাৰ হাৰৰ সৌন্দৰ্য আমাৰ মনত অস্ফুট হৈ বৈ যায়। গোসাঁইৰ বুকুত মুকুতাৰ হাৰে যি সৌন্দৰ্যৰ সৃষ্টি কৰিছে তাৰ বোধ হ'ব পৰাকৈ আমাৰ কল্পনাক উদ্দীপ্ত কৰিবলৈ আৰু কিবা এটা আলম্বন লগা হয়। সেই আলম্বনৰ যোগান ধৰিছে তলৰ শাৰী বাক্যই— 'আকাশীগংগাৰ যেন ধাৰ।' আকাশীগংগাৰ সাদৃশ্যটো লগতে জুৰি দিয়াৰ প্ৰকৃত সৌন্দৰ্য আমাৰ আগত চিত্ৰবৎ প্ৰতিভাত হৈ পৰিল। জলমলীয়া জলধাৰাৰে আকাশীগংগাই বহল নীল আকাশত যি সৌন্দৰ্যৰ সৃষ্টি কৰিছে শ্ৰীকৃষ্ণৰ বহল মেঘবৰণীয়া বুকুত জলমলীয়া মুকুতাৰ হাৰে অনুৰূপ শোভাৰ বিস্তাৰ কৰিছে। মহাপুৰুষ কবিয়ে উৎপ্ৰেক্ষা অলংকাৰৰ সহায়ত আকাশীগংগাৰ চিত্ৰটো দাঙি ধৰি 'বক্ষস্থলে মুকুতাৰ হাৰ' কথাত অপৰিস্ফুট হৈ থকা সৌন্দৰ্যখিনি স্পষ্ট আৰু হৃদয়গ্ৰাহীকৈ আমাৰ মনৰ সমুখত তুলি ধৰিছে।

কেতিয়াবা সাধাৰণ উকা কথাৰে ব্যক্ত কৰিব নোৱাৰা গূঢ়-গভীৰ তত্ত্বকো অলংকাৰৰ আশ্ৰয় লৈ স্পষ্ট আৰু সুগম কৰি বুজাব পাৰি। উদাহৰণ স্বৰূপে গীতাৰ সৰ্বজন বিদিত আত্মাৰ নিত্যত্ব আৰু জন্মান্তৰৰ তত্ত্ব বুজোৱা "বাসাংসি জীৰ্ণানি যথা বিহায় নৱানি গৃহ্লাতি নৰোহপৰাণি" শ্লোকটোলৈ আঙুলিয়াব পাৰি। জীৰ্ণবস্ত্ৰ পৰিত্যাগৰ উপমাৰ আশ্ৰয় নোলোৱা হ'লে এই তত্ত্বটো প্ৰাঞ্জল কৰাৰ আৰু কিবা উপায় আছে বুলি ধাৰণাই নহয়। অশ্বঘোষৰ *সৌন্দৰানন্দ* কাব্যত নিৰ্বাণতত্ত্ব বুজাবলৈ এনে এটা দৃষ্টান্তৰ আলম লৈ সুন্দৰ অলংকাৰৰ অৱতাৰণা কৰিছে ঃ

"দীপো যথা নিৰ্বৃতিমভ্যুপেতো
নৈৱাৱনিং গচ্ছতি নান্তৰিক্ষং
দিশং ন কাঞ্চিদ্‌ৰিদিশং ন কাঞ্চিৎ
স্নেহক্ষয়াৎ কেৱলমেতি শান্তিম্।।
এৱং কৃতী নিৰ্বৃতিভ্যুপেতো

নৈৱাৱনিং গচ্ছতি নান্তৰিক্ষং
দিশং ন কাঞ্চিদ্ বিদিশং ন কাঞ্চি
ক্লেশক্ষয়া কেৱলমতি শান্তিম্।" — *সৌন্দৰানন্দ* , ১৬।২৮-২৯

— প্ৰদীপ যেনেকৈ নুমাই গ'লে পৃথিৱীতো নাথাকে, আকাশলৈকো নাযায়, দিশ বিদিশ কেনিও গতি নকৰে, কেৱল তেল নিঃশেষ হোৱাত দহন ক্ৰিয়াৰ শান্তি হয়, সেইদৰে ধন্য পুৰুষে (বোধি লাভ কৰা) নিৰ্বাণ প্ৰাপ্ত হৈ পৃথিৱীতো নাথাকে, আকাশলৈকো গতি নকৰে, দিশবিদিশ কেনিও নাযায়, ক্লেশ অৰ্থাৎ তৃষ্ণাদি আস্ৰৱৰ পৰিশেষ ঘটাত দুঃখৰ নিবৃত্তি হৈ উপশান্ত হয়।

নিৰ্বাণতত্ত্বৰ এনে পৰিষ্কাৰ ধাৰণা দিব পৰা বিৱৰণ এটা আৰু ক'তো পঢ়া মনত পৰা নাই। এনে স্পষ্টতা সম্ভৱ হৈছে দীপ-নিৰ্বাণৰ উপমাৰ বলত। পূৰ্ণোপমা অলংকাৰৰ ই এটা সুন্দৰ উদাহৰণ।

**ৰমণীয়তা সম্পাদন ঃ** অলংকাৰৰ তৃতীয় অথচ সৰ্বোপৰি প্ৰধান প্ৰয়োজন ৰমণীয়তা সম্পাদন। প্ৰভাৱশালিতা আৰু স্পষ্টতা অলংকাৰৰ গৌণ প্ৰয়োজন, চাৰুত্ব বা মনোহাৰিত্বহে মুখ্য প্ৰয়োজন।[৪] ৰসবাদী আচাৰ্যসকলৰ মতে ৰসোপকাৰকতাই অলংকাৰৰ মুখ্য প্ৰয়োজন। পৰিশেষ বিচাৰত অৱশ্যে কথা দুয়োটাই নি আমাক একে ঠাইকে পোৱায়গৈ।

কুন্তকে বক্ৰোক্তিকে কাব্য-জীৱন বুলি কৈছে যদিও সেই বক্ৰোক্তি আহ্লাদকাৰিণী হলেহে কাব্য-জীৱন বোলাৰ মৰ্যাদা পাবৰ যোগ্য হয়। গতিকে বক্ৰোক্তি অতিশয়োক্তিযুক্ত বাক্য মাত্ৰেই প্ৰভাৱশীল হলেও অলংকাৰৰ শৰীৰলৈ উঠিব নোৱাৰে, যদি সেই শব্দাৰ্থত ৰমণীয়তা বা আহ্লাদকাৰিতা নাথাকে।[৫] সাধাৰণ কথাৰ পাকে বুদ্ধিক আলোড়িত আৰু উদ্বুদ্ধ কৰে। কাব্যালংকাৰে বুদ্ধিৰ উপৰিও কল্পনাক জাগ্ৰত কৰি ভাবত মাধুৰ্য সানে। 'টেকেলি কলহৰ নিচিনা বস্তু'— ইয়াত সাদৃশ্য আছে, উপমান উপমেয় সমান ধৰ্ম আদিও আছে, তথাপি ই উপমা অলংকাৰ নাম পাবৰ যোগ্য নহয়। ইয়াত সাদৃশ্যহে আছে মনোহাৰিত্ব নাই। কিন্তু 'নীল পদুমৰ নিচিনা চকু' ইয়াত থকা সাদৃশ্য মনোৰম সাদৃশ্য। চকুৰ সৌন্দৰ্য ফুটাই

---

৪. 'চাৰুত্বহেতুশ্চালংকাৰঃ — *কাব্য প্ৰকাশটীকা* (নাগোজী ভট্ট)। এই চাৰুত্বকে সৌন্দৰ্য, ৰমণীয়তা, শোভাশালিতা, চমৎকাৰিত্ব, আহ্লাদকাৰিতা আদি বিবিধ শব্দৰে বুজোৱা হয়।

৫. "শব্দাৰ্থৌ সাহিতৌ বক্ৰকবিব্যাপাৰশালিনি।
বন্ধে ব্যৱস্থিতৌ কাব্যং তদ্বিদামাহ্লাদকাৰিণি।।" — *বক্ৰোক্তিজীৱিত*

তুলি ই মনত এটা মনোহাৰিণী অৱস্থিতিৰ উদ্ভৱ কৰাইছে। জৰীত সৰ্পভ্ৰম দৃষ্টান্তই জগতৰ মিথ্যাত্ব ব্যাখ্যা কৰি বেদান্ত ৰহস্য স্পষ্টীকৰণত সহায়তা কৰে, কিন্তু কাব্য সৌন্দৰ্যৰ সৃষ্টি নকৰে; কিন্তু যজ্ঞধূমক মেঘ বুলি ভাবি ময়ূৰে পেখম মেলাৰ বৰ্ণনা ভ্ৰান্তিমান অলংকাৰ। যজ্ঞধূমৰ প্ৰাচুৰ্যবোধ আনি দিয়াৰ উপৰিও এই ভ্ৰান্তিয়ে মনত ৰমণীয়তাৰ প্ৰলেপ সানি দিয়ে।

এই জোখেৰে জুখি চালে আমি উদাহৰণ দিয়া বস্তুত অলংকাৰকে প্ৰকৃত কাব্যালংকাৰৰ শাৰীত ঠাই দিবলৈ ইতস্ততঃ কৰিবলগীয়া হ'ব। তথাপি ৰমণীয়তা সম্পাদন কাব্যালংকাৰৰ মুখ্য প্ৰয়োজন বুলি স্বীকাৰ নকৰিলে অলংকাৰৰ গৌৰৱ ক্ষুণ্ণ হোৱাৰ আশংকা থাকে। "সৌন্দৰ্যমলংকাৰঃ" বুলি অলংকাৰৰ লক্ষণ উপস্থাপিত কৰোঁতেও ভট্ট বামনে এই কথাৰ গুৰুত্বলৈ লক্ষ্য ৰাখিছিল বুলি অনুমান হয়।